**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 08-02-2026 **Time :** 0755 Hrs.

# HEADLINES

ৰাজ্যৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগৰ এটা দল কালি গুৱাহাটীত উপস্থিত হৈছে। দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা সঞ্জয় কুমাৰ আৰু ভানু কুমাৰ য়াটুবক লৈ গঠিত উপ-নিৰ্বাচন আয়ুক্তৰ দলটোৱে আজি ৰাজ্যিক নিৰ্বাচনী বিষয়াৰ সৈতে আলোচনাত মিলিত হ'ব। তেওঁলোকে প্ৰতিখন জিলাৰ আয়ুক্ত আৰু শীৰ্ষ আৰক্ষী বিষয়াৰ সৈতেও আলোচনা কৰিব। দলটোৱে ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰ সৈতেও আলোচনাত মিলিত হ'ব। ১৭ ফেব্ৰুৱাৰীত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত ড° সুখবীৰ সিং সান্ধু আৰু ড° বিবেক যোশীৰে গঠিত আয়োগৰ পূৰ্ণাংগ দল অসমলৈ আহি ৰাজ্যখনৰ নিৰ্বাচনী প্ৰস্তুতি পৰ্যালোচনা কৰাৰ লগতে সাম্প্ৰতিক পৰিস্থিতিৰ বুজ ল'ব। দুয়োটা দলে নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লৈ উভতি যোৱাৰ পাছতে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে ফেব্ৰুৱাৰীৰ অন্তিম ভাগত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰিছিল।

০০০০০০০

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰিব। জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰ তিনিদিনীয়াকৈ অনুষ্ঠিত অধিৱেশনৰ আজি অন্তিম দিনটোত ধৰ্ম ধ্বজ্জা উত্তোলনৰ পাছতে ভাগৱত যাত্ৰা উলিওৱা হ'ব। আজি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ হংযানত উঠি শোভাযাত্ৰাত ভাগ ল'ব। দ্বিতীয় দিনটোত কালি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হাজাৰ হাজাৰ ভকত বৈষ্ণৱ, আই মাতৃয়ে অংশগ্ৰহণ কৰে। অধিবেশন উপলক্ষে কালি অনুষ্ঠিত মুকলি সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমীয়া সমাজ জীৱনলৈ মহাপুৰুষজনাই আগবঢ়োৱা অৱদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই তেওঁৰ ভাষণত কয় যে শ্ৰীমন্ত শংকৰদেৱে অসমীয়া জাতিক একতাৰ ডোলেৰে বান্ধি ৰাখিবলৈ সমৰ্থ হৈছে। মহাপুৰুষজনাই অসমীয়া জাতিক নতুন প্ৰাণৰ সঞ্চাৰ কৰা বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীমন্ত শংকৰদেৱ সংঘই অসমৰ সমাজ জীৱনৰ উৎকৰ্ষৰ বাবে কাম কৰি আহিছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। শংকৰদেৱ বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰি শৈক্ষিক আৰু বৌদ্ধিক ক্ষেত্ৰত সংঘই আগবঢ়োৱা বৰঙণিৰ তেওঁ শলাগ লয়। বিগত ৫ বছৰত ৰাজ্য চৰকাৰে মহাপুৰুষজনাক ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত প্ৰকাশ কৰে। আনহাতে, শ্ৰীমন্ত শংকৰদেৱ সংঘক ২ কোটি টকাৰ অনুদান দিয়াৰ বাবে তেওঁ আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ ৰচনাৰাজি ভাৰতৰ বিভিন্ন ভাষালৈ অনুবাদৰ বাবে সংঘক এই অনুদান প্ৰদান কৰা হ'ব।

০০০০০০০

বিশ্বনাথ জিলা সমিতিয়ে আয়োজন কৰা সদৌ অসম কাৰ্বি ছাত্ৰ সন্থাৰ ৪১ সংখ্যক বাৰ্ষিক অধিৱেশনৰ কালি সামৰণি পৰে। বিশ্বনাথ জিলাৰ পাভৈৰ কাৰ্বি ব্লকত প্ৰয়াত শ্যামসুন্দৰ ফাংচো ক্ষেত্ৰত অনুষ্ঠিত এই অধিৱেশনৰ মূল সভাত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে অংশগ্ৰহণ কৰে। সভাত কাৰ্বি সকলৰ বিভিন্ন সমস্যা সন্দৰ্ভত আলোকপাত কৰা হয়। শ্ৰীৰংহাঙে কয়, যে অসমৰ বিভিন্ন জিলাত থকা কাৰ্বিসকলৰ সমস্যা সমাধানৰ বাবে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ দায়বদ্ধ।

**বাইট (তুলিৰাম ৰংহাং)**

অনুষ্ঠানত অংশগ্ৰহণৰ পাছত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত শ্ৰীৰংহাঙে সমাগত বিধানসভা নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে ভাল ফলাফল লাভ কৰিব বুলি মন্তব্য কৰে।

০০০০০০০

সদৌ অসম ছাত্ৰ সন্থাৰ এখন সাংগঠনিক কৰ্মী সভা কালি ডিব্ৰুগড় জিলা লাহোৱাল বালিকা বিদ্যালয়ত অনুষ্ঠিত হয়। সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু লাহোৱাল আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত কৰ্মী সভাত ডিব্ৰুগড় জিলাৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক বিতোপন গগৈয়ে আদৰণি ভাষণ দিয়ে। সভাপতি ৰূপজ্যোতি বৰঠাকুৰৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল ভট্টাচাৰ্য, সাধাৰণ সম্পাদক সমীৰণ ফুকনৰ লগতে কেন্দ্ৰীয় সমিতিৰ ভালেসংখ্যক বিষয়ববীয়া উপস্থিত থাকে। চিন্তন, মন্থন, কৰ্ষণেৰে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ভৱিষ্যত সুনিশ্চিত কৰা, শৈক্ষিক কাৰ্যসূচীৰ আধাৰত কাম-কাজ আগবঢ়াই লৈ যোৱা, স্থানীয় সমস্যাবোৰ সমাধানৰ ব্যৱস্থা, অসমৰ খিলঞ্জীয়া মানুহৰ ভৱিষ্যত আদি সন্দৰ্ভত এই কৰ্মী সভাত আলোচনা কৰা হয়। এই কৰ্মী সভাত ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত ১৫ খন আঞ্চলিক ছাত্ৰ সন্থাৰ সহস্ৰাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

**সমাপ্ত**